# সুচিপত্ৰ

**বংশাৱলিৰ প্ৰথম পুস্তক।** **5**
Chapter 1 5
Chapter 2 6
Chapter 3 7
Chapter 4 8
Chapter 5 9
Chapter 6 11
Chapter 7 15
Chapter 8 16
Chapter 9 18
Chapter 10 20
Chapter 11 20
Chapter 12 22
Chapter 13 23
Chapter 14 24
Chapter 15 24
Chapter 16 25
Chapter 17 28
Chapter 18 29
Chapter 19 29
Chapter 20 30
Chapter 21 31
Chapter 22 32
Chapter 23 33
Chapter 24 34
Chapter 25 35
Chapter 26 36
Chapter 27 37
Chapter 28 39
Chapter 29 40

**অবদানকাৰী** **42**
Assamese Unlocked Literal Bible অবদানকাৰী 42
Tischendorf Greek New Testament 8th edition অবদানকাৰী 42

[19]দ্বাদশ হচবিয়াৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন; [20]ত্ৰয়োদশ চূবায়েলৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু
সম্বন্ধীয় সকল সংখ্যাত বাৰ জন;

[21]চতুৰ্দ্দশ মত্তিথিয়াৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন;

[22]পঞ্চদশ যিৰোমোতৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন;

[23]ষোড়শ হননিয়াৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন;

[24]সপ্তদশ যচবিকাচাৰ নামত উঠিল; তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন;

[25]অষ্টাদশ হনানীৰ নামত উঠিল; তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন;

[26]ঊনবিংশ মল্লোথীৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন;

[27]বিংশ ইলিয়াথাৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন;

[28]একবিংশ হোথীৰৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন;

[29]দ্বাবিংশ গিদ্দলতীৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন;

[30]ত্ৰয়োদশ মহজীয়াতোৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন;

[31]চতুৰ্ব্বিংশ ৰোমমতী এজৰৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন;

# Chapter 26

## দুৱৰী আৰু কোষাধ্যক্ষ সকলৰ বিষয়৷

[1]দুৱৰী সকলৰ বিভাগসমূহ তলত দিয়া হ’ল:

কোৰহীয়া সকলৰ পৰা, কোৰিৰ পুত্ৰ মচেলেমিয়া আচফৰ এজন বংশধৰ আছিল৷

[2]মচেলেমিয়াৰ পুত্ৰ সকল: প্ৰথম পুত্ৰ জখৰিয়া, দ্বিতীয় যিদীয়েল, তৃতীয় জবদিয়া, চতুৰ্থ যৎনীয়েল, [3]পঞ্চম এলম, ষষ্ঠ যোহোহানন, আৰু সপ্তম
ইলিহোঐনয়৷

[4]ওবেদ-ইদোমৰ পুত্ৰ সকল: প্ৰথম পুত্ৰ চমমিয়া, দ্বিতীয় যিহোজাবদ, তৃতীয় যোৱাহ, চতুৰ্থ চাখৰ, পঞ্চম নথনেল, [5]ষষ্ঠ অম্মীয়েল, সপ্তাম
ইচাখৰ, আৰু অষ্টম পিয়ুলতয়, কাৰণ ঈশ্বৰে ওবেদ-ইদোমক আশীৰ্ব্বাদ কৰিছিল৷ [6]তেওঁৰ পুত্ৰ চমমিয়াৰ কেইজনো পুত্ৰ জন্মিল; তেওঁলোকে
নিজৰ পৰিয়াল সকলক শাসন কৰিছিল; তেওঁলোক বহুতো দক্ষতা সম্পন্ন লোক আছিল৷

[7]চমমিয়াৰ পুত্ৰ সকল হ’ল অৎনী, ৰফায়েল, ওবেদ, আৰু ইলজাবদ৷ তেওঁৰ সম্পৰ্কীয় ইলীহু ও চমখিয়াও বহুতো দক্ষতা সম্পন্ন লোক আছিল৷
[8]এওঁলোক সকলোৱেই ওবেদ-ইদোমৰ বংশধৰ আছিল৷ তেওঁলোক, তেওঁলোকৰ পুত্ৰ সকল আৰু সম্পৰ্কীয় সকল ঈশ্বৰৰ আবাসৰ পৰিচৰ্য্যাৰ
তেওঁলোকৰ কাম কৰাত সক্ষম লোক আছিল৷ তেওঁলোকৰ মাজৰ বাষষ্টি জন ওবেদ-ইদোমৰ সম্পৰ্কীয় আছিল৷ [9]মচেলেমিয়াৰ পুত্ৰ সকল
আৰু সম্পৰ্কীয় সকল, সক্ষম লোকসকল,, সৰ্ব্বমুঠ ওঠৰ জন আছিল৷

[10]মৰাৰীৰ এজন বংশধৰ হোচাৰ পুত্ৰ সকল: চিম্ৰী এজন নেতা, (যদিও তেওঁ প্ৰথম পুত্ৰ নাছিল, তথাপিও তেওঁৰ পিতৃয়ে তেওঁক নেতৃত্বৰ ভাৰ
দিছিল), [11]দ্বিতীয় হিল্কিয়া, তৃতীয় টবলিয়া, আৰু চতুৰ্থ জখৰিয়া৷ হোচাৰ পুত্ৰ আৰু সম্পৰ্কীয় লোকসকল সংখ্যাত তেৰ জন আছিল৷

[12]দুৱৰী সকলৰ বিভাগবোৰে তেওঁলোকৰ নেতা সকলৰ লগত যোগাযোগ কৰি তেওঁলোকৰ সম্পৰ্কীয় সকলৰ দৰে, যিহোৱাৰ গৃহত পৰিচৰ্য্যা
কৰি, তেওঁলোকৰ কৰিবলগীয়া কাৰ্য্য কৰে৷ [13]তেওঁলোকে সকলো সম্পৰ্কীয় সকলৰ লগত যোগাযোগ কৰি সৰু কি বৰ সকলোৱে প্ৰত্যেক
দুৱাৰৰ বাবে চিঠি খেলালে৷ [14]যেতিয়া পূব দিশৰ দুৱাৰৰ বাবে চিঠি খেলালে তেতিয়া চেলেমিয়াৰ নাম উঠিল৷ তেওঁৰ পুত্ৰ জখৰিয়া ভাল
পৰামৰ্শ দিওঁতা লোক আছিল, চিঠি খেলত উত্তৰ দিশৰ বাবে তেওঁৰ নাম উঠিল৷

[15]দক্ষিণ দিশৰ দুৱাৰৰ বাবে ওবেদ-ইদোমক নিৰ্ধাৰণ কৰে; আৰু তেওঁৰ পুত্ৰ সকলক ভঁৰালৰ বাবে নিৰ্ধাৰন কৰে৷ [16]পশ্চিম দিশৰ দুৱাৰৰ
সৈতে ওপৰলৈ উঠি যোৱা বাটৰ চল্লেখৎ দুৱাৰো চূপ্পীম আৰু হোচাৰ নামত নিৰ্ধাৰন কৰে৷ প্ৰতেক পৰিয়ালৰ কাৰণে; ৰখীয়া সকল আছিল৷

